*Total number of printed pages–3*

**14 (ASM-3) 3016**

**2018**

**ASSAMESE**

Paper : ASM–3016

***(Assamese Novel : 1890–2015)***

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। (ক) অসমীয়া উপন্যাসৰ প্ৰস্তুতি পৰ্বৰ পৰা আৰম্ভ কৰি প্ৰাক্-স্বাধীনতা কাললৈকে অসমীয়া উপন্যাস সাহিত্যৰ পটভূমিৰ বিষয়ে ধাৰাসমূহ আলোচনা কৰা। ১০+৫=১৫

*অথবা*

(খ) ৰজনীকান্ত বৰদলৈৰ উপন্যাসত অসমীয়া জাতি-গঠনৰ আদৰ্শ কিদৰে ৰূপায়িত হৈছে বিচাৰ কৰা। ১৫

*Contd.*

২। (ক) 'সেউজী পাতৰ কাহিনী' উপন্যাসত উপন্যাসিকে চাহ জনগোষ্ঠীৰ জীৱনধাৰাৰ কোনৰোৰ দিশত বিশেষভাৱে গুৰুত্ব প্ৰদান কৰিছে উদাহৰণসহ এটি আলোচনা দাঙি ধৰা। ১৫

*অথবা*

(খ) হোমেন বৰগোহাঞিৰ 'পিতাপুত্ৰ' উপন্যাসত সমসাময়িক সমাজৰ আৰ্থসামাজিক আৰু ৰাজনৈতিক দিশটো কিদৰে অংকন কৰিছে যথোচিত উদাহৰণসহ আলোচনা কৰা। ১৫

৩। (ক) স্বাধীনতাৰ পৰৱৰ্তী কালৰ অসমীয়া জীৱনীমূলক উপন্যাসৰ ধাৰা সম্পৰ্কে এটি আলোচনা ডাঙি ধৰি এই ধাৰাটোত মেদিনী চৌধুৰীৰ 'বগুকা বেহাৰ' উপন্যাসৰ স্থান নিৰ্ণয় কৰি এটি টোকা প্ৰস্তুত কৰা। ১৫

*অথবা*

(খ) দ্বিতীয় মহাযুদ্ধৰ পটভূমিত ৰচিত 'জংগম' উপন্যাসত ব্ৰহ্মদেশত থকা ভাৰতীয় মূলৰ কৃষক আৰু অন্যান্য লোকসকলৰ জীৱন আৰু জীৱিকাৰ সমস্যাটো উপন্যাসিকে কিদৰে দাঙি ধৰিছে উপযুক্ত উদাহৰণসহ আলোচনা কৰা। ১৫



৪। (ক) চেতনাস্ৰোত পদ্ধতিত ৰচিত ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্যৰ 'মৰুদ্যান' নামৰ উপন্যাসখনৰ এটি সমীক্ষা আগবঢ়োৱা। ১৫

*অথবা*

(খ) দেৱব্ৰত দাসে 'ধূসৰতাৰ কাব্য' নামৰ উপন্যাসখনৰ জৰিয়তে সাম্প্ৰতিক বাস্তৱতা কিদৰে ৰূপায়িত কৰিছে ফঁহিয়াই দেখুওৱা। ১৫

৪। চমুটোকা লিখা : *(যিকোনো চাৰিটা)* ৪×৫=২০

(ক) আধুনিক উপন্যাসৰ বৈশিষ্ট্য

(খ) 'নীলকণ্ঠী' ব্ৰজ ও মানবতাবাদী চেতনা

(গ) 'পিতাপুত্ৰ' উপন্যাসৰ শিৱনাথৰ চৰিত্ৰ

(ঘ) বন্ধ উপন্যাস আৰু মুক্ত উপন্যাসৰ পাৰ্থক্য

(ঙ) দেবব্ৰত দাসৰ উপন্যাসৰ ভাষা



1300

Total number of printed pages–2

**14 (ASM–3) 3026**

**2018**

**ASSAMESE**

Paper : ASM–3026

***( Translation : Theory and Practice )***

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। *যিকোনো চাৰিটা* প্ৰশ্নৰ উত্তৰ দিয়া ঃ  ১৬×৪=৬৪

(ক) অনুবাদৰ সময়ত ভাষিক দৃষ্টিভংগীৰ কিয় প্ৰয়োজন হয় ৰোমান য়াকবচনৰ প্ৰবন্ধৰ আলমত বিশ্লেষণ কৰা।

(খ) ৰাজনীতি অনুবাদৰ ক্ষেত্ৰত কিদৰে ক্ৰিয়াশীল হৈ থাকে হৰিশ ত্ৰিবেদীৰ 'The Politics of Postcolonial Translation'ৰ জৰিয়তে ফঁহিয়াই দেখুওৱা।

(গ) কৃষ্ণকান্ত সন্দিকৈৰ 'অনুবাদৰ কথা' অসমীয়া ভাষাত কিদৰে অনুবাদ চৰ্চা বিষয়ক বাটকটীয়া প্ৰবন্ধ যুক্তি প্ৰদৰ্শন কৰা।

*Contd.*

(ঘ) উইলিয়াম শ্বেইক্সপীয়েৰৰ 'মেকবেথ'ৰ অসমীয়া অনুবাদত ড° পোনা মহন্তই কিদৰে বিশ্বাসযোগ্যতা (faithfulness) দেখুৱাইছে নিদৰ্শনসহ আলোচনা কৰা।

(ঙ) হীৰেন ভট্টাচাৰ্যৰ কবিতাৰ অনুবাদ প্ৰদীপ আচাৰ্যই কিদৰে মূলানুগ কৰিবলৈ প্ৰয়াস কৰিছে, দৃষ্টান্তসহ দেখুওৱা।

(চ) ধীৰেন্দ্ৰ নাথ বেজবৰুৱাই 'মৃত্যুঞ্জয়'ৰ ইংৰাজী অনুবাদত 'সাংস্কৃতিক প্ৰসংগ' সমূহ কিদৰে ৰক্ষা কৰিছে আলোচনা কৰা।

২। চমু টোকা লিখা ঃ *(যিকোনো চাৰিটা)* ৪×৪=১৬

(ক) অভিযোজনা

(খ) আন্তঃভাষিক অনুবাদ

(গ) লৰেঞ্চ ভেনুটি

(ঘ) অনুসৃষ্টি

(ঙ) মোহন ৰাকেশ

(চ) দৈনন্দিন জীৱন আৰু কাৰ্যকৰী (functional) অনুবাদ।

---

Paper : ASM–3066

১। (ক) অসমীয়া ভাষাৰ উপভাষা সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা। ১৬

*অথবা*

(খ) অসমীয়া ভাষাৰ মান্যৰূপৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যৰ লগত গোৱালপৰীয়া উপভাষাৰ ৰূপতাত্ত্বিক পাৰ্থক্য সমূহ উদাহৰণৰ সৈতে লিখা। ১৬

২। (ক) কামৰূপী উপভাষাৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্যৰ আলোচনা কৰি ইয়াৰ সৈতে মান্য অসমীয়া ভাষাৰ ধ্বনিতত্ত্বৰ সাদৃশ্য বৈসাদৃশ্য নিৰূপণ কৰা। ৮+৮=১৬

*অথবা*

(খ) দৰঙী উপভাষাৰ শব্দগত দিশত কেতবোৰ বিশেষ বৈশিষ্ট্য লক্ষ্য কৰা যায়—কথাষাৰৰ যথাৰ্থতা প্ৰমাণ কৰি উদাহৰণসহ আলোচনা কৰা। ১৬

৩। (ক) অসমৰ নৃগোষ্ঠীয় উপভাষা কোনবোৰ? তাৰে *যিকোনো এটি* উপভাষাৰ ভাষিক বৈশিষ্ট্য নিৰূপণ কৰা। ২+১৪=১৬

*অথবা*

(খ) দৰঙী আৰু মৰিগঞা উপভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যৰ পাৰ্থক্য নিৰ্ণয় কৰা। ১৬



৪। (ক) সামাজিক উপভাষাৰ সংজ্ঞা নিৰূপণ কৰি অসমৰ মৰীয়া সম্প্ৰদায়ৰ ভাষাৰ চমু পৰ্যালোচনা আগবঢ়োৱা। ৪+১২=১৬

*অথবা*

(খ) একোটো উপভাষা কথ্যৰূপত থাকিলে কি কি পদ্ধতিৰে অধ্যায়ন তথা গৱেষণা কৰা হয়। বিৱৰি লিখা। ১৬

৫। ***যিকোনো দুটাৰ*** বিষয়ে চমুকৈ লিখা ঃ ২×৮=১৬

(ক) উপভাষা-ভূগোল

(খ) ছপা আৰু বৈদ্যুতিন মাধ্যমৰ ভাষা

(গ) ডাইগ্লচিয়া বা দ্বিপাৰ্শ্বিকতা

(ঘ) সামাজিক উপভাষা হিচাপে অসমৰ কৈৱৰ্ত সম্প্ৰদায়ৰ কথ্যৰূপৰ বিশেষত্ব।